# অসম জাতীয় বিদ্যালয়

## নুনমাটি, গুৱাহাটী ৭৮১০২০

তাৰিখ : ০১/১১/২০১৭

---

### অসম জাতীয় বিদ্যালয়ত ‘গীত-মাতৰ গধূলি’ আৰু ‘অসম জাতীয় বিদ্যালয় সন্মান’ প্ৰদান অনুষ্ঠান

গুৱাহাটী, ১ নৱেম্বৰ, ২০১৭ : যোৱা ইংৰাজী ২৮ আৰু ২৯ অক্ট’বৰ তাৰিখে অসম জাতীয় বিদ্যালয়ত ক্ৰমে বাৰ্ষিক ‘গীত-মাতৰ গধূলি’ আৰু ‘অসম জাতীয় বিদ্যালয় সন্মান’ প্ৰদান অনুষ্ঠান অনুষ্ঠিত হৈ যায়। ২৮ অক্ট’বৰ তাৰিখে বিয়লি ৪ বজাৰ লগে লগে এই ‘গীত-মাতৰ গধূলি’ অনুষ্ঠানৰ আৰম্ভ কৰা হয় স্বৰ্গীয় ত্ৰিদিব ভট্টাচাৰ্য্যদেৱৰ সোঁৱৰণত নিৰ্মাণ কৰা মঞ্চ উন্মোচনেৰে। মঞ্চ উন্মোচন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ইয়াৰ পিছতে বিদ্যালয় পৰিয়ালৰ সদস্য স্বৰ্গীয় ভৰেন কুমাৰ বৰা, ত্ৰিদিব ভট্টাচাৰ্য, কৃষ্ণ কুমাৰ বৰা আৰু সদ্যপ্ৰয়াত ৰতন লহকৰ, ধৰণী বৰ্মন, অৰুণ শৰ্মা, বিশিষ্ট অভিনেতা আব্দুল মজিদ, শিক্ষয়িত্ৰী মৃণালিনী বৈশ্যৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্জ্বলনৰ এক শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। বন্তি প্ৰজ্জ্বলন কৰে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই। অনুষ্ঠানৰ মুখ্য অতিথিৰূপে আমন্ত্ৰিত বিশিষ্ট সংগীত শিল্পী সুগায়ক পুলক বেনাৰ্জীয়ে দুটি সুন্দৰ গীত পৰিৱেশন কৰাৰ লগতে এক অনুপ্ৰেৰণামূলক বক্তৃতা আগবঢ়ায়। একেটি অনুষ্ঠানতে বিদ্যালয়ৰ মুখপত্ৰ ‘বাখৰ’ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে। বিশিষ্ট সাহিত্যিকগৰাকীয়ে শিক্ষাৰ্থীসকলৰ ভৱিষ্যত উন্নতি কামনা কৰাৰ লগতে মাতৃভাষাৰ ওপৰত বিশেষ গুৰুত্ব দি তেওঁলোকৰ সাহিত্যিক উন্নতি কৰাৰ ক্ষেত্ৰতো সকলোকে উদ্দেশ্যি এক উদগনিমূলক ভাষণ আগবঢ়ায়। বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই নিজৰ বক্তব্যত অহা শিক্ষাবৰ্ষটো (২০১৮-২০১৯) বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ হিচাপে ঘোষণা কৰে। এই অনুষ্ঠানতে কৃতি শিক্ষাৰ্থীসকলক ২০১৭ বৰ্ষৰ শৈক্ষিক পুৰস্কাৰ আৰু বৃত্তি প্ৰদান কৰা হয়। এই শৈক্ষিক পুৰস্কাৰ আৰু বৃত্তিসমূহ হ’ল ক্ৰমে কৃষ্ণকান্ত সন্দিকৈ বৃত্তি, আনন্দৰাম বৰুৱা বৃত্তি, সন্তদেৱ গোস্বামী সোঁৱৰণী বৃত্তি, কৃষ্ণকান্ত দুৱৰা সোঁৱৰণী বৃত্তি, ত্ৰিদিব ভট্টাচাৰ্য্য সোঁৱৰণী বৃত্তি, ভৰেন কুমাৰ বৰা সোঁৱৰণী বৃত্তি, পদ্মনাথ গোহাঞিবৰুৱা বৃত্তি, মহিম প্ৰসাদ ভট্টাচাৰ্য বৃত্তি, বাণীকান্ত কাকতি বৃত্তি, শিৱানন্দ শৰ্মা সোঁৱৰণী বৃত্তি। অসম জাতীয় বিদ্যালয়ৰ শিক্ষা-সংসদৰ অন্তৰ্গত বিদ্যালয়সমূহৰ পৰা ২০১৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰথম দহগৰাকী শিক্ষাৰ্থীক অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ শৈক্ষিক বৃত্তি প্ৰদান কৰা হয়। তদুপৰি ২০১৭ বৰ্ষৰ ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ প্ৰাপ্ত শিক্ষাৰ্থীক ভৰেন কুমাৰ বৰা সোঁৱৰণী বৃত্তি প্ৰদান কৰা হয়। আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৯০ % তকৈ অধিক নম্বৰ পোৱা আৰু বিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা শিক্ষাৰ্থীক শিৱানন্দ শৰ্মা বৃত্তি আৰু মহিম প্ৰসাদ ভট্টাচাৰ্য বৃত্তি প্ৰদান কৰা হয়। এই অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ তত্ত্বাৱধানত বিভিন্ন নৃত্য-গীতৰ অনুষ্ঠান পৰিৱেশন কৰে।

২৯ অক্ট’বৰ ২০১৭ তাৰিখ দেওবাৰে বিদ্যালয়ত ‘অসম জাতীয় বিদ্যালয় সন্মান’ প্ৰদান শীৰ্ষক এক বিশেষ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠান বিয়লি ৫ বজাৰ লগে লগে আৰম্ভ কৰা হয়। অনুষ্ঠানৰ বিশেষ কাৰ্যসূচী অনুসৰি ২০১৭ বৰ্ষৰ বাবে ‘অসম জাতীয় বিদ্যালয় সন্মান’ প্ৰদান কৰা হয় বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচি আৰু বিশিষ্ট সংগীত শিল্পী সুনীল দেৱক। ‘অসম জাতীয় বিদ্যালয় সন্মান’ত থাকে বিদ্যালয়ৰ প্ৰতীক সম্বলিত এখনি গামোচা, এখনি ছবি, বিদ্যালয়ৰ প্ৰতীক সম্বলিত স্মাৰক, এখনি প্ৰশস্তি পত্ৰ, এখনি এড়ী চাদৰ আৰু ২৫,০০০.০০ টকাৰ এখনি চেক। এই সন্মানৰ মূল স্মাৰক প্ৰদান কৰে অনুষ্ঠানৰ মুখ্য অতিথিৰ আসন গ্ৰহণ কৰা উচ্চ মাধ্যমিক শিক্ষা পৰিষদৰ অধ্যক্ষ আৰু শিক্ষা বিভাগৰ আয়ুক্ত আৰু সচিব ৰমেশ চন্দ্ৰ জৈনদেৱে। লগতে অন্যান্য উপহাৰসমূহ প্ৰদান কৰে অজাবি ন্যাসৰ সচিব ডাঁ নাৰায়ণ শৰ্মা, সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামী আৰু অধ্যক্ষ আৰু উপাধ্যক্ষাদ্বয়ে। এই অনুষ্ঠানতে অজাবি ন্যাসৰ সচিব ডাঁ শৰ্মাই এক বহুমূলীয়া বক্তৃতা আগবঢ়ায়। এই অনুষ্ঠানটো পৰিচালনা কৰে বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী অপৰ্ণা দেৱীয়ে।

উক্ত অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকে বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। সমগ্ৰ অনুষ্ঠানটো পৰিচালনাৰ দায়িত্বত থাকে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্যসকল, ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয় উদয়া ফুকন আৰু ধ্ৰুৱ শৰ্মা আৰু শিক্ষক-কৰ্মচাৰীসকল। দুয়োটা দিনৰ সমূহ কাৰ্যসূচীৰ আঁত ধৰে বিদ্যালয়ৰ উপাধ্যক্ষা উদয়া ফুকন, অপৰ্ণা দেৱী, যুথিকা পাটোৱাৰীৰ তত্ত্বাৱধানত শিক্ষাৰ্থী অৰুণিমা দত্ত, শিৱাশ্ৰী ডেকা, পল্লৱী কলিতা, চিমৰণ ৰায়চৌধুৰী, গৌৰৱ ভট্টাচাৰ্য্য, অনন্যা মেধি, অনুভৱ গগৈ আৰু ৰাজৰ্ষি কাশ্যপে। সমগ্ৰ অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত থাকে বিদ্যালয়ৰ শিক্ষক কুঞ্জৰ দাস।

ঘনশ্যাম মেধি

*(ঘনশ্যাম মেধি)*
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়